**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 13-05-2025 **Time :** 09-20 Hrs.

**<u>Assamese Morning Bulletin</u>**
**<u>Headlines (13-05-2025)</u>**

১। পাকিস্তানে সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰিলেই উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

২। ভাৰত-পাকিস্তানৰ সংঘৰ্ষ বিৰতিৰ পাছত প্ৰথমবাৰৰ বাবে দুয়োদেশৰ মাজত DGMO পৰ্যায়ৰ বৈঠক।

৩। কেইবাখনো জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ প্ৰক্ৰিয়াৰ সামৰণি। বিজেপি মিত্ৰজোঁটৰ জয় নিশ্চিত।

৪। এই বছৰতে ৰাজ্যৰ ১০ খন আদৰ্শ মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ প্ৰকাশ।

*আৰু*

৫। ১৭ মে'ত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ পুনৰ আৰম্ভ।

০০০০০০০

অপাৰেশ্বন সিন্দূৰ স্থগিতহে ৰখা হৈছে, বন্ধ হোৱা নাই আৰু পাকিস্তানে সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰিলেই উচিত প্ৰত্যুত্তৰ দিয়া হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। এই অভিযান কেৱল এটা নাম নহয়, বৰং ৰাষ্ট্ৰৰ সামূহিক আবেগৰ এটা শক্তিশালী প্ৰতীক বুলিও শ্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে অপাৰেশ্বন সিন্দূৰ সন্দৰ্ভত দেশবাসীক উদ্দেশ্যি কালি দিয়া ভাষণত এই কথা উল্লেখ কৰি কয়, যে সিন্দুৰ অভিযান হৈছে ন্যায়ৰ অখণ্ড প্ৰতিজ্ঞা। তেওঁ কয়, যে চাৰ্জিকেল ষ্ট্ৰাইক আৰু এয়াৰ ষ্ট্ৰাইকৰ পাছত অপাৰেশ্বন সিন্দুৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নতুন নীতি।  তেওঁ কয়, যে কোনো ধৰণৰ পাৰমাণৱিক ভয়-ভাবুকি আৰু সন্ত্ৰাসবাদী আক্ৰমণ সহ্য কৰা নহ'ব আৰু পাকিস্তানে সন্ত্ৰাসবাদী আক্ৰমণ কৰিলে ভাৰতে প্ৰচণ্ড প্ৰত্যাক্ৰমণ কৰিব।

-বাইট-

সন্ত্ৰাসবাদীক প্ৰশ্ৰয় দিয়া অথবা সহায় কৰা সকলকো সন্ত্ৰাসবাদীৰ শাৰীতেই ধৰা হ'ব বুলিও তেওঁ কয়। অপাৰেচন সিন্দূৰ পাকিস্তানৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ নব্য নীতি বুলি উল্লেখ কৰি তেওঁ কয়, যে সন্ত্ৰাসবাদ আৰু আলোচনা একেলগে চলিব নোৱাৰে।

-বাইট-

সশস্ত্ৰ বাহিনীয়ে এই অভিযানৰ জৰিয়তে এশৰো অধিক সন্ত্ৰাসবাদীক নিঃশেষ কৰে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে ভাৰতে সন্ত্ৰাসবাদীৰ মূল কেন্দ্ৰটোকে ধবংস কৰিলে বুলি মন্তব্য কৰে। তেওঁ কয় যে সন্ত্ৰাসবাদক নিৰ্মূল কৰিবৰ বাবে ভাৰত চৰকাৰে সেনা বাহিনীক সম্পূৰ্ণ কৰ্তৃত্ব প্ৰদান কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে এই যুগ যুদ্ধৰ নহয়, কিন্তু এই যুগ সন্ত্ৰাসবাদৰো নহয়। সন্ত্ৰাসবাদী আন্তঃগাথনি ধ্বংস কৰাৰ পাকিস্তানৰ কোনো বিকল্প নাই বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। ভাৰত আৰু পাকিস্তানৰ মাজত পৰৱৰ্তী সময়ত আলোচনা হ'লে কেৱল সন্ত্ৰাসবাদ আৰু পাকিস্তান অধিকৃত কাশ্মীৰৰ সন্দৰ্ভতহে আলোচনা হ'ব বুলি শ্ৰীমোদীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ কয়, যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাই এখন উন্নত বিশ্বৰ নিশ্চয়তা দিয়ে। তেওঁ লগতে পাকিস্তানী সেনা আৰু পাকিস্তান চৰকাৰে যিদৰে সন্ত্ৰাসবাদৰ পোষকতা কৰি আহিছে আৰু ইয়েই এদিন দেশখনৰ ধ্বংসৰ কাৰণ হ'ব বুলি সতৰ্ক কৰি দিয়ে। প্ৰধানমন্ত্ৰীয়ে সশস্ত্ৰ সেনাবাহিনী, চোৰাংচোৱা সংস্থা আৰু বিজ্ঞানীসকলক কৃতজ্ঞতা জনাই সেনাবাহিনীৰ এই পৰাক্ৰম আৰু শৌৰ্য্য দেশৰ প্ৰতিগৰাকী মা-ভগ্নী আৰু জীয়ৰীৰ নামত সমৰ্পন কৰে।

০০০০০০০

ভাৰত আৰু পাকিস্তানৰ সামৰিক অভিযানৰ সঞ্চালকপ্ৰধান অৰ্থাৎ DGMO পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। দুয়োদেশৰ অঘোষিত যুদ্ধ বিৰতিৰ পাছত প্ৰথমবাৰৰ বাবে কালি দুয়োদেশৰ সামৰিক পৰ্যায়ত আলোচনা অনুষ্ঠিত হয়। এই আলোচনাত পাকিস্তানে যুদ্ধ বিৰতি উলংঘা নকৰাৰ প্ৰতিশ্ৰুতি দিছে। কালিৰ এই আলোচনাত ভাৰতৰ DGMO-ক লেফটেনেণ্ট জেনেৰেল ৰাজীৱ ঘাই আৰু পাকিস্তানৰ DGMO মেজৰ জেনেৰেল কাছিফ আব্দুল্লাই অংশগ্ৰহণ কৰে। অৱশ্যে যুদ্ধ বিৰতি উলংঘা কৰিলে ভাৰতে প্ৰত্যুত্তৰ দিব বুলি এই আলোচনাত প্ৰকাশ কৰে। উল্লেখযোগ্য যে ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত পাকিস্তানী সন্ত্ৰাসবাদীয়ে চলোৱা আক্ৰমণত ২৬ জন নিৰিহ লোকে প্ৰাণ হেৰুওৱাৰ পাছত ভাৰতে ৭ মে'ত পাকিস্তান আৰু পাক অধিকৃত কাশ্মীৰৰ ৯ টা সন্ত্ৰাসবাদী ঘাটিত আক্ৰমণ চলাই ধ্বংস কৰাৰ পাছত দুয়োদেশৰ মাজৰ পৰিস্থিতিৰ চূড়ান্ত অৱনতি ঘটে। পাকিস্তানে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত নিৰ্বিচাৰ গোলাবৰ্ষণ কৰাৰ লগতে ভাৰতৰ অসামৰিক স্থানক লক্ষ্য কৰি ভালেমান ড্ৰোণ নিক্ষেপ কৰে। অৱশ্যে ভাৰতীয় বাহিনীয়ে এই আক্ৰমণসমূহ প্ৰতিহত কৰাৰ লগতে প্ৰত্যুত্তৰ হিচাপে পাকিস্তানৰ সামৰিক ঘাটি আৰু বায়ু প্ৰতিৰক্ষা ব্যৱস্থা ধ্বংস কৰে। এনে পৰিস্থিতিত ১০ মে'ত পাকিস্তানৰ DGMO-ই ভাৰতৰ DGMO-ৰ সৈতে টেলিফোনযোগে কথা পাতি আক্ৰমণ আৰু সামৰিক অভিযান বন্ধৰ আহ্বান জনায় আৰু ইয়াৰ পাছতে সংঘৰ্ষ বিৰতি কৰা হয়। অৱশ্যে সেইদিনা নিশাৰ ভাগত এই বিৰতি উলংঘা কৰি পাকিস্তানে পুনৰ আক্ৰমণ কৰিছিল।

০০০০০০০

পাকিস্তানৰ বিৰুদ্ধে আক্ৰমণত ছহিদ হোৱা মণিপুৰৰ দীপক চিমনগাখাম নামৰ জোৱানজনৰ নশ্বৰ দেহ আজি ইম্ফললৈ অনা হ'ব। সীমান্ত সুৰক্ষা বাহিনী তথা সামৰিক বাহিনীয়ে সম্পূৰ্ণ সামৰিক মৰ্যাদাৰে জোৱানজনৰ শেষকৃত্য সম্পন্ন কৰিব। যোৱা শনিবাৰে পাকিস্তানী সেনাৰ অপ্ৰৰোচিত গুলী বৰ্ষণত মণিপুৰৰ এই জোৱানজনৰ লগতে সীমান্ত সুৰক্ষা বাহিনীৰ ৮ জন জোৱান গুলীবিদ্ধ হৈছিল। দেওবাৰে চিকিৎসাধীন অৱস্থাত মণিপুৰৰ এই জোৱানজনে শেষ নিশ্বাস ত্যাগ কৰে। মণিপুৰৰ পূব ইম্ফল জিলা নিবাসী দীপক চিমনগাখাম সীমান্ত সুৰক্ষা বাহিনীৰ ৭ নম্বৰ বেটেলিয়নত কনিষ্টবল হিচাপে কৰ্মৰত আছিল। উল্লেখযোগ্য যে ভাৰত-পাকিস্তানৰ এই সংঘৰ্ষত সেনা বাহিনীৰ ৫ জোৱান ছহিদ হৈছে।

০০০০০০০

অপাৰেচন সিন্দুৰৰ সফলতাৰ পাছত বিজেপিয়ে আজিৰেপৰা দেশজুৰি ১১ দিনীয়া ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰিছে। মোডী চৰকাৰৰ দৃঢ় নেতৃত্ব আৰু সশস্ত্ৰ বাহিনীৰ বীৰত্বৰ বিষয়ে জনসাধাৰণৰ মাজত প্ৰচাৰৰ অংশ হিচাপে বিজেপিয়ে এই ত্ৰিৰংগা যাত্ৰাৰ আয়োজন কৰিছে। চলিত মাহৰ ২৩ তাৰিখলৈ হ 'বলগীয়া এই অভিযানত সমাজৰ বিশিষ্ট ব্যক্তি , প্ৰাক্তন সেনা আৰু সমাজকৰ্মীসকলেও ভাগ ল'ব। দলীয় সূত্ৰই জনোৱা মতে,এই অভিযান ৰাজনৈতিক নহে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ পৰা সমৰ্থন লাভ কৰা এটা বিষয়ৰ প্ৰতি মানুহক সজাগ কৰাৰ এটা প্ৰচেষ্টা।

0000000

কেইবাখনো জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ প্ৰক্ৰিয়া যোৱা নিশা সামৰণি পৰে। ভোটগণনাৰ দ্বিতীয় দিনা বিভিন্ন জিলাত বিজেপি আৰু মিত্ৰদলসমূহে শক্তিশালী অগ্ৰগতি লাভ কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।

নগাঁও জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া যোৱা নিশা সামৰণি পৰে। প্ৰাপ্ত ফলাফল অনুসৰি ২৭ খন আসনযুক্ত নগাঁও জিলা পৰিষদত ১১ খন আসন বিজেপিয়ে লাভ কৰে আৰু তিনিখন আসন অসম গণ পৰিষদ দলে লাভ কৰিবলৈ সমৰ্থ হয়। কংগ্ৰেছ দলে ১৩ খন আসনত বিজয় সাব্যস্ত কৰে।

তিনিচুকীয়া জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰা হৈছে। জিলাখনৰ এই ফলাফল সন্দৰ্ভত আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণে এইদৰে কয়–

*(বাইট ঃ মনোৰঞ্জন মৰাণ)*

শ্ৰীভূমি জিলাৰ ১৬খন জিলা পৰিষদৰ আসনৰ ভিতৰত ১১ খন আসন বিজেপিয়ে লাভ কৰিবলৈ সমৰ্থ হয়। ইয়াৰে ৫ খন আসনত কংগ্ৰেছে জয়লাভ কৰে।

বৰপেটা জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কালি নিশা সম্পন্ন হয়। জিলাখনৰ ১৯ খন জিলা পৰিষদৰ ৯ খন আসনত কংগ্ৰেছে বিজয় সাব্যস্ত কৰে। বিজেপিয়ে ৫ খন আৰু অসম গণ পৰিষদে ২ খন আসন দখল কৰিবলৈ সামৰ্থ হয়। এ আই ইউ ডি এফে ২ খন আসনত জয়লাভ কৰাৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীয়ে এখন আসনত জয়লাভ কৰে। জিলাখনৰ ১০২ খন আঞ্চলিক পঞ্চায়তৰ ৪৫ খন কংগ্ৰেছ, এ আই ইউ ডি এফে ২৩ খন আৰু মিত্ৰজোঁটে ২১ খন আসনত জয়লাভ কৰে। ইয়াৰে ৰাইজৰ দলে ২ খন আৰু আম আদমী পাৰ্টীয়ে এখন আসনত জয়লাভ কৰাৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীয়ে ১০ খন আসন দখল কৰে।

নলবাৰী জিলাৰ পঞ্চায়ত নিৰ্বাচনত বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। জিলাখনৰ ভোটগণনাৰ শেহতীয়া তথ্যৰ সৈতে আমাৰ সংবাদদাতা ৰমেন কলিতা–

*(বাইট ঃ ৰমেন কলিতা)*

বঙাইগাঁও জিলাৰ মুঠ ৬৫ খন আঞ্চলিক পঞ্চায়ত আৰু ১২ খন জিলা পৰিষদত বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটে গৰিষ্ঠ সংখ্যক আসন দখল কৰে।

যোৰহাট বিধানসভা সমষ্টিত ১৬ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰে। সমষ্টিটোৰ ৮৬ খন আঞ্চলিক পঞ্চায়তৰ ৮৩ খনত বিজেপি প্ৰাৰ্থী বিজয়ী হৈছে।

কামৰূপ জিলাৰ মুঠ ২৪ খন জিলা পৰিষদৰ আসনৰ ২২ খনত বিজেপিয়ে জয়লাভ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

0000000

চলিত বৰ্ষৰ পৰাই ৰাজ্যৰ ১০ খন আদৰ্শ মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। শিক্ষামন্ত্ৰী ড্াঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে কালি এই কথা প্ৰকাশ কৰে। এই অনুসৰি ২০২৫-২৬ শৈক্ষিক বৰ্ষত হাইলাকান্দি আদৰ্শ মহাবিদ্যালয়, ওদালগুৰি হৰিশিঙাৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, চিৰাং, মাজুলী, শোণিতপুৰৰ বৰছলা, মঙলদৈ, গোলকগঞ্জ, ধুবুৰীৰ মাজৰ আলগা, লাহৰিঘাট আৰু চামগুৰিৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত পাঠদান আৰম্ভ হ'ব। শিক্ষাৰ্থীসকলে এই মহাবিদ্যালয়সমূহত পাঁচটা বিষয়ত অধ্যয়নৰ সুযোগ লাভ কৰিব। এই অনুসৰি হাইলাকান্দিত ইংৰাজী, বঙালী, হিন্দী, ভূগোল আৰু সমাজতত্ব বিষয়ত নামভৰ্তিৰ সুবিধা থাকিব। একেদৰে চিৰাঙত ইংৰাজী, অসমীয়া, বড়ো, গণসংযোগ আৰু ভূগোল বিষয়ত পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। মাজুলীত ইংৰাজী, অসমীয়া, মনোবিজ্ঞান, গণসংযোগ আৰু ভূগোল বিষয় সন্নিবিষ্ট কৰা হৈছে। বাকী মহাবিদ্যালয়সমূহতো এনেধৰণৰ পাঁচটা বিষয়ত পাঠদানৰ সুবিধা থাকিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

0000000

ভাৰত আৰু পাকিস্তানৰ মাজত বৃদ্ধি পোৱা উত্তেজনাৰ বাবে এসপ্তাহজোৰা বিৰতিৰ পাছত চলিত মাহৰ ১৭ তাৰিখৰ পৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ ২০২৫ পুনৰ আৰম্ভ হ 'ব বুলি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ বোৰ্ডে ঘোষণা কৰিছে । উল্লেখযোগ্য যে ভাৰতে অপাৰেচন সিন্দুৰ আৰম্ভ কৰাৰ পাছত ৯ মে 'ত আই পি এলৰ সকলো মেচ স্থগিত ৰখা হৈছিল। ১৭ মে'ত আই পি এল পুনৰ আৰম্ভ হোৱাৰ পাছত বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু আৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মাজত প্ৰথমখন খেল অনুষ্ঠিত হ 'ব। অৱশ্যে মোহালী অথবা ধৰমশালাত কোনো মেচ অনুষ্ঠিত নহয়। পূৰ্বে আহমেদাবাদত হ'বলগীয়া মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে পঞ্জাৱ কিংছৰ খেলখন অহা ২৬ মে 'ত জয়পুৰৰ এছ এম এছ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

0000000

NEWS PAPER REV

পেহেলগাম নৰসংহাৰৰ পোটক তুলি পাকিস্তানৰ ৯ টাকৈ সন্ত্ৰাসবাদী শিবিৰ ধ্বংস আৰু পাকিস্তানেৰে সংঘৰ্ষ বিৰতীত উপনীত হোৱাৰ পাছত কালি সন্ধিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিয়ে। প্ৰধানমন্ত্ৰীৰ এই ভাষণৰ বিস্তৃত বাতৰি অন্যান্য কাকতৰ লগতে অসমীয়া প্ৰতিদিন কাকতেও প্ৰকাশ কৰিছে।

মহানগৰীৰ আমবাৰীৰ পৰা নুনমাটিলৈ নিৰ্মাণকাৰ্য চলি থকা উৰণ সেঁতুৰ বাবে লক্ষ্মীনাথ বেজবৰুৱা চকৰ পৰা দেওবাৰে নিশা সাহিত্যৰথীৰ প্ৰতিমূৰ্তি আঁতৰ কৰা হয়। সচেতন নাগৰিকৰ বিৰোধিতাকো আওকান কৰি সাহিত্যৰথীজনাৰ প্ৰতিমূৰ্তি আঁতৰোৱাৰ বাতৰিটো দৈনিক অসম কাকতে গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

পঞ্চায়ত নিৰ্বাচনত উজনিত বিৰোধী সম্পূৰ্ণৰূপে উৎসাত হয়। এই বাতৰি প্ৰকাশ কৰি দৈনিক জনমভূমি কাকতৰ বাতৰিৰ শিৰোনাম **বিজেপি মিত্ৰজোঁটৰ ছুনামি**।

ভাৰত আৰু পাকিস্তানে জল-স্থল-অন্তৰীক্ষ সকলোতে যুদ্ধ বিৰতী পালন কৰিব। ডি জি এম অ' পৰ্যায়ৰ বৈঠকৰ পাছত এই সিদ্ধান্ত দুয়োখন দেশৰ। অন্যান্য কাকতৰ লগতে আমাৰ অসম কাকতে এই বাতৰিটো প্ৰকাশ কৰিছে।

পঞ্চায়ত নিৰ্বাচনত ধনবল-বাহুবলৰ ৰাজনীতিৰে শাসক পক্ষই জয়লাভ কৰা বুলি বিৰোধী সৰব হৈ পৰিছে। বিৰোধীৰ কেইবাগৰাকীও  নেতাই পঞ্চায়ত নিৰ্বাচনৰ ফলাফল সন্দৰ্ভত কৰা মন্তব্যৰে দৈনিক অগ্ৰদূত কাকতে বাতৰি প্ৰকাশ কৰিছে।

পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁটে লাভ কৰা সফলতাৰ পাছত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে বিজয়ৰ এই ধাৰাবাহিকতা আগন্তুক বিধানসভা নিৰ্বাচনলৈ থাকিব। এই বাতৰি অসমীয়া খবৰ কাকতৰ।

প্ৰথিতযশা সাহিত্যিক, সাংবাদিক তথা কথাশিল্পী হোমেন বৰগোহাঞিৰ কালি চতুৰ্থ পূণ্য তিথিত ৰাজ্যবাসীয়ে শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। নিয়মীয়া বাৰ্তা কাকতে ফটোসহ এই বাতৰি প্ৰকাশ কৰিছে।

পাকিস্তানৰ সৈতে যদি কোনো আলোচনা হয়, তেন্তে কেৱল সন্ত্ৰাসবাদ আৰু পাক অধীকৃত কাশ্মীৰ সম্পৰ্কতহে আলোচনা হ'ব। এই বাতৰি প্ৰকাশ কৰি দি আছাম ট্ৰিবিউন কাকতৰ শিৰোনাম  Operation Sindoor is new policy against terror : PM।

কাৰো পৰমাণু ভাবুকিলৈ ভাৰতে ভয় নকৰে। দ্যা ছেণ্টিনেল কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণ Terror and talk cannot coexist শিৰোনামেৰে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়া বৰষুণ  হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। অসম আৰু ত্ৰিপুৰাত প্ৰতি ঘণ্টাত ৪০ৰ পৰা ৫০ কিলোমিটাৰ বেগেৰে বতাহ বলাৰ সম্ভাৱনা আছে বুলি কেন্দ্ৰটোৱে উল্লেখ কৰিছে। নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা, মেঘালয় আৰু মণিপুৰতো পাতলীয়া বৰষুণৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**